# 2023

# HISTORY

Paper : HIS–HC–2016

**[ History of India—II (300 BCE to 750 CE) ]**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়া নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

Fill in the blanks :

খালী ঠাই পূৰণ কৰা :

*(a)* The Pallava capital Kanchipuram was a great centre of learning and _____ was the official language of the Pallavas.

পল্লৱসকলৰ ৰাজধানী কাঞ্চীপুৰম শিক্ষাৰ এক মহান কেন্দ্ৰ আছিল আৰু _____ ভাষা পল্লৱসকলৰ চৰকাৰী ভাষা আছিল।

(b) Megasthenes, the author of *Indica*, in his account of the Indian society and its division into seven classes mentions the _____ as the second class, next only to the philosophers.

'ইণ্ডিকা'ৰ গ্ৰন্থকাৰ মেগাস্থেনিছে ভাৰতীয় সমাজখনক সাতটা শ্ৰেণীত বিভাজন কৰিছিল আৰু _____ সকলক দাৰ্শনিকসকলৰ পিছতেই দ্বিতীয় শ্ৰেণী হিচাপে উল্লেখ কৰিছিল।

(c) The Banskhera, Nalanda and Sonepat Inscriptions of Harsha describe him as a worshipper of god _____. However, later on he became a Buddhist and convened a Buddhist Conference at Kanauj.

হৰ্ষবৰ্ধনৰ বংখেৰা, নালন্দা আৰু সোনপাত শিলালিপিত নিজকে _____ দেৱতাৰ উপাসক বুলি বৰ্ণনা কৰিছে। অৱশ্যে, পিছলৈ তেওঁ বৌদ্ধধৰ্ম গ্ৰহণ কৰে আৰু কানৌজত বৌদ্ধ সম্মিলনো আহ্বান কৰিছিল।

(d) In which language were Jatakas written?

কি ভাষাত জাতকসমূহ ৰচনা কৰা হৈছিল?





Find out the correct option :

শুদ্ধ উত্তৰটো বাছি উলিওৱা :

(e) Match Column *A* with Column *B* and choose the correct option from the codes given below :

স্তম্ভ 'ক'-ৰ লগত স্তম্ভ 'খ' মিলোৱা আৰু তলত দিয়াসমূহৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা :

| Column—A<br>স্তম্ভ—'ক' | Column—B<br>স্তম্ভ—'খ' |
|---|---|
| (A) Mahadandanayaka<br>মহাদণ্ডনায়ক | (a) A group of villages<br>কেইখনমান গাঁওৰ এটা গোট |
| (B) Uparika<br>উপৰিক | (b) Head of the districts<br>জিলাধিপতি |
| (C) Vishayapati<br>ৱিশয়পতি | (c) Chief Judicial Officer<br>মুখ্য ন্যায়াধীশ |
| (D) Vithi<br>ভীথি | (d) Governor of the Bhuktis<br>প্ৰদেশ গৱৰ্ণৰ |

*Codes* :

(i) (A)—(c), (B)—(d), (C)—(b), (D)—(a)

(ii) (A)—(c), (B)—(b), (C)—(d), (D)—(a)

(iii) (A)—(b), (B)—(a), (C)—(d), (D)—(c)

(iv) (A)—(a), (B)—(b), (C)—(c), (D)—(d)

(f) What was 'Sita' land?
'সীতা' মাটি কি?

(i) Lands owned and controlled directly by the King
ৰজাৰ মালিকানাধীন আৰু ৰজাৰ দ্বাৰা পোনপটীয়াকৈ নিয়ন্ত্ৰিত ভূমি

(ii) Lands donated specially for making the iron swords
লোৰ অস্ত্ৰ তৈয়াৰ কৰাৰ বাবে বিশেষভাৱে দান কৰা ভূমি

(iii) Lands owned by the villagers for agriculture
কৃষিৰ বাবে গাঁওবাসীৰ মালিকানাধীন ভূমি

(iv) None of the above
ওপৰৰ কোনোটোৱেই নহয়

(g) The *Jatakas* were the stories about
'জাতক' গ্ৰন্থত থকা কাহিনীবোৰৰ বিষয়বস্তু আছিল

(i) Surya and Krishna
সূৰ্য আৰু কৃষ্ণ

(ii) Parshvanatha and Mahavira
পাৰ্শ্বনাথ আৰু মহাবীৰ





(iii) Buddha and Bodhisattva
বুদ্ধ আৰু বোধিস্বত্ত্ব

(iv) Sankaracharya and Ramanuja
শংকৰাচাৰ্য আৰু ৰামানুজ

(h) What is Visthi?
ভিষ্ঠি (Visthi) কি?

(i) A kind of religious ritual
এক প্ৰকাৰৰ ধৰ্মীয় ৰীতি

(ii) A kind of agriculture
এক প্ৰকাৰৰ কৃষি

(iii) A kind of forced labour
এক প্ৰকাৰৰ বলপূৰ্বক শ্ৰম

(iv) A kind of war strategy
এক প্ৰকাৰৰ যুদ্ধ কৌশল

Write true or false :
সঁচা নে মিছা লিখা :

(i) According to Megasthenes, the houses of Pataliputra town, the capital of Maurya, were made of wood.
মেগাস্থেনিছৰ মতে মৌৰ্যৰ ৰাজধানী পাতলিপুত্ৰ নগৰীখনৰ ঘৰবোৰ কাঠেৰে নিৰ্মিত আছিল।

*(j)* In the Gupta period, women did not enjoy equality with their husbands. They were marginalized in other spheres of public life.

গুপ্ত যুগত মহিলাসকলে তেওঁলোকৰ স্বামীৰ সৈতে সমতা উপভোগ কৰা নাছিল। তেওঁলোক ৰাজহুৱা জীৱনৰ অন্যান্য ক্ষেত্ৰতো উপেক্ষিত হৈ আছিল।

**2.** Answer the following questions in brief : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া :

*(a)* What was called Janapadanivesa during the Maurya period?

মৌৰ্যকালত জনপদনিৱেশ বুলিলে কি বুজাই?

*(b)* Write two important features of land grants in the post-Gupta period.

পৰৱৰ্তী গুপ্ত যুগৰ ভূমি অনুদানৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য লিখা।

*(c)* Under what circumstances the king could levy the tax called Pranaya?

কি পৰিস্থিতিত ৰজাই 'প্ৰণয়' নামৰ কৰ আৰোপ কৰিব পাৰিছিল?





*(d)* How were the Guptas, the Nagas and the Vakataka families matrimonially interconnected?

গুপ্ত, নাগ আৰু ভাকতক ৰাজবংশ কেনেকৈ বিবাহৰ দ্বাৰা আন্তঃসংযোজিত আছিল?

*(e)* What are the two historical events of the Maurya and the Gupta dynasties associated with Sudarshana Lake?

সুদৰ্শন হ্ৰদৰ লগত সংযোজিত মৌৰ্য আৰু গুপ্ত ৰাজবংশৰ ঐতিহাসিক ঘটনা দুটা কি কি?

**3.** Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো **চাৰিটাৰ** ওপৰত চমু টোকা লিখা :

*(a)* Origin of the Satavahanas

সাতবাহনসকলৰ উৎপত্তি

*(b)* Land grants and expansion of agriculture

ভূমি দান আৰু কৃষিৰ সম্প্ৰসাৰণ

*(c)* Historicity of Ramagupta

ৰামগুপ্তৰ ঐতিহাসিক সত্যতা

(d) Position of women in the Gupta and post-Gupta society

গুপ্ত আৰু উত্তৰ গুপ্ত যুগৰ সমাজ ব্যৱস্থাত মহিলাৰ স্থিতি

(e) Pali and Prakrit language

পালি আৰু প্ৰাকৃত ভাষা

(f) Administration under the Guptas

গুপ্তসকলৰ অধীনত প্ৰশাসন

**4.** Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) "Undoubtedly, the Mauryan kings, at least in its core areas, could have ensured substantial revenue collection otherwise government management and maintenance of the army would have been very difficult." Do you agree? To justify your opinion, discuss over the varied steps taken by the Mauryas for the collection of revenue.

"নিঃসন্দেহে মৌৰ্য ৰজাসকলে, অন্ততঃ ইয়াৰ মুখ্য ক্ষেত্ৰসমূহত, যথেষ্ট ৰাজহ সংগ্ৰহ নিশ্চিত কৰিব পাৰিছিল অন্যথা চৰকাৰী ব্যৱস্থাপনাসমূহ আৰু সেনাবাহিনীৰ ৰক্ষণাবেক্ষণ বহুত কঠিন হ'লহেঁতেন।" তুমি এই দৃষ্টিভংগীৰ সৈতে একমতনে? তোমাৰ মতামতৰ ন্যায্যতা প্ৰমাণ কৰিবলৈ ৰাজহ সংগ্ৰহ কৰিবলৈ মৌৰ্যসকলে লোৱা বিভিন্ন পদক্ষেপসমূহ ফঁহিয়াই দেখুওৱা।





Or / অথবা

"The two main pre-requisites for the expansion of agriculture in the Gupta period were the proper use of raw materials and control of manpower as well and the Guptas did it." Do you agree with this view? Justify your opinion.

"গুপ্ত যুগত কৃষি সম্প্ৰসাৰণৰ বাবে দুটা মুখ্য পূৰ্ব-প্ৰয়োজনীয়তা আছিল কেঁচামালৰ সদ্ব্যৱহাৰ আৰু জনশক্তিৰ সুনিয়ন্ত্ৰণ আৰু গুপ্তসকলে এইটো কৰিছিল।" তুমি এই দৃষ্টিভংগীৰ সৈতে একমতনে? তোমাৰ মতামতৰ ন্যায্যতা প্ৰমাণ কৰা।

(b) Write a note about the Varna and Jati system in the period of your study.

তোমাৰ অধ্যয়নৰ কালছোৱাত বৰ্ণ আৰু জাতি ব্যৱস্থাৰ বিষয়ে এটা টোকা লিখা।

Or / অথবা

Write a note on the administration of the Gupta Empire.

গুপ্ত সাম্ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ ওপৰত এটা টোকা প্ৰস্তুত কৰি উলিওৱা।

(c) Write a note on the theistic religious traditions in India during the Maurya, Gupta and Kushana periods with special reference to the emergence of Mahayana branch of Buddhism as well as the Four Buddhist Councils.

বৌদ্ধধৰ্মৰ মহাযান শাখাৰ লগতে চাৰিওখন বৌদ্ধ মহামেলৰ বিশেষ প্ৰসংগৰে মৌৰ্য, গুপ্ত আৰু কুষাণ শাসনকালত ভাৰতবৰ্ষত ঈশ্বৰবাদী ধৰ্মীয় পৰম্পৰাৰ উদ্ভৱ সম্পৰ্কে এটা টোকা লিখা।

*Or* / অথবা

"Factors like foreign invasion, dissension within the ruling family, reassertion of power by local chiefs, administrative weakness, etc., hastened the process of disintegration of the Gupta Empire." Which factor seems most responsible for the disintegration of the Gupta Empire in your eyes and why? Can you point out any other factors apart from this?

''বিদেশী আক্ৰমণ, ৰাজপৰিয়ালৰ অন্তৰ্কোন্দল, স্থানীয় মুৰব্বীসকলৰ ক্ষমতা লিপ্সা, প্ৰশাসনিক দুৰ্বলতা আদি কাৰকবোৰে গুপ্ত সাম্ৰাজ্যৰ ধ্বংসৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিছিল।'' তোমাৰ চকুত গুপ্ত সাম্ৰাজ্যৰ ধ্বংসৰ বাবে কোনটো কাৰক আটাইতকৈ দায়বদ্ধ যেন লাগে আৰু কিয়? ইয়াৰ উপৰিও কিবা অন্য কাৰক তুমি আঙুলিয়াই দিব পাৰিবানে?





(d) Write a critical analysis of Harsha's relationship with other political powers in contemporary India.

সমসাময়িক ভাৰতৰ অন্যান্য ৰাজনৈতিক শক্তিৰ সৈতে হৰ্ষৰ সম্পৰ্কৰ বিষয়ে এটি সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱা।

*Or* / অথবা

Analyze the main features of the Mauryan and Gupta art.

মৌৰ্য আৰু গুপ্ত যুগৰ শিল্পকলাৰ মুখ্য বৈশিষ্ট্যবোৰ বিশ্লেষণ কৰা।

★★★